**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 17-06-2026 **Time :** 1100 Hrs.

ৰাজ্য চৰকাৰৰ কৰ্মচাৰী আৰু পেঞ্চনাৰসকলে দুই শতাংশ বৰ্ধিত হাৰত মৰগীয়া বানচ লাভ কৰিব। এই মৰগীয়া বানচ পূৰ্বৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি কৰা হৈছে। জুলাই মাহৰ দৰমহাৰ সৈতে কৰ্মচাৰীসকলে এই বানচ লাভ কৰিব। ৰাজ্যৰ বিত্ত বিভাগে কালি মৰগীয়া বানচ বৃদ্ধি কৰা সন্দৰ্ভত প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰে।

০০০০০০০০

অসমৰ কেইবাগৰাকীও বিজ্ঞানীয়ে বিশ্বৰ পাঁচ শতাংশ শ্ৰেষ্ঠ বিজ্ঞানীৰ তালিকাত স্থান লাভ কৰিছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ চাৰিগৰাকী গৱেষক অধ্যাপক প্ৰদীপ ফুকন, ড° ৰঞ্জিত ঠাকুৰীয়া, ড° ত্ৰিদীপ কুমাৰ গোস্বামী আৰু ড° অৰবিন্দ বৰুৱাই এই তালিকাত স্থান লাভ কৰিছে। শেহতীয়াকৈ প্ৰকাশিত বিশ্বৰ শীৰ্ষ পাঁচ শতাংশ বিজ্ঞানী সম্পৰ্কীয় এটা গোলকীয় প'ৰ্টেলত এই বিজ্ঞানীসকলৰ লগতে ৰাজ্যখনৰ বিশিষ্ট উদ্ভিদ বিজ্ঞানী, তিতাবৰৰ নন্দনাথ শইকীয়া মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক ড° প্ৰণৱানন্দ ভট্টাচাৰ্যইও স্থান লাভ কৰিছে। নলবাৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহকাৰী-অধ্যাপক  ড° ৰূপক কুমাৰ শৰ্মাইও এই তালিকাত স্থান লাভ কৰিছে। এই সন্দৰ্ভত শৰ্মাই আমাৰ নলবাৰীৰ সংবাদদাতা ৰমেন কলিতাৰ আগত এইদৰে কয় –

বাইট

০০০০০০০

ন্যায়াধীশ শৰ্মিলা ভূঞাৰ ফাষ্টট্ৰেক আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত আজি সাক্ষ্য প্ৰদানৰ বাবে আদালতে ৪ গৰাকী এজাহাৰ দাখিলকাৰী বিপুল ফুকন, জিতু ফুকন, বিকাশ শইকীয়া আৰু যাদৱ শইকীয়ালৈ চমন জাৰি কৰা হৈছে। আদালতত কালি ৩ গৰাকী সাক্ষী মৌচম বৰা, গৌৰাংগ দত্ত আৰু দিগন্ত দাসে সাক্ষ্য প্ৰদান কৰে। অভিযুক্ত পক্ষৰ অধিবক্তাসকলে তিনিওগৰাকী সাক্ষীকে প্ৰশ্ন কৰে। উল্লেখযোগ্য যে ছিংগাপুৰত জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ ঘটনাৰ পাছত এই ঘটনাৰ তদন্ত বিচাৰি ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এজাহাৰ দাখিল হৈছিল। এজাহাৰ দাখিল কৰা লোকসকলৰ যোৱা ৮ জুনৰ পৰা আদালতে সাক্ষ্য গ্ৰহণ কৰি আছে। অহা ২০ জুন পৰ্যন্ত এই লোকসকলৰ সাক্ষ্য গ্ৰহণ কৰা হব। উল্লেখযোগ্য যে জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত মুঠ সাক্ষী হৈছে ৩৯৪ জন।

০০০০০০০

শক্তিপীঠ কামাখ্যা ধামত অহা ২২ জুনৰ পৰা হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্ণ গতিত প্ৰস্তুতি অব্যাহত ৰাখিছে। মেলাত অংশগ্ৰহণ কৰিবলগীয়া হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ বাবে সুৰক্ষিত, সুগম আৰু  স্বাচ্ছন্দ্যপূৰ্ণ তীৰ্থযাত্ৰাৰ অভিজ্ঞতা নিশ্চিত কৰিবলৈ উত্তৰ-পূব সীমান্ত ৰে'লৱেই ব্যাপক প্ৰস্তুতি আৰু ব্যৱস্থা গ্ৰহণ কৰিছে। অম্বুবাচী মেলাৰ সময়ছোৱাত তীৰ্থযাত্ৰীৰ ভিৰ বহুগুণে বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি উত্তৰ-পূব সীমান্ত ৰে'লৱেই বিশেষ ৰে'লৰ চলাচল, অহৰ্নিশে টিকট বিক্ৰীৰ সুবিধা, অতিৰিক্ত সুৰক্ষা কৰ্মী নিয়োগ, হেল্প ডেস্ক আৰু অনুসন্ধান কেন্দ্ৰ স্থাপন তথা তীৰ্থযাত্ৰীৰ বাবে খাদ্যৰ পেকেট আৰু খোৱাপানী বিতৰণ আদিৰ অন্তৰ্ভুক্তিৰে বিভিন্ন যাত্ৰীকেন্দ্ৰিক ব্যৱস্থা গ্ৰহণ কৰিছে। তীৰ্থযাত্ৰীৰ প্ৰত্যাশিত ভিৰৰ প্ৰতি লক্ষ্য ৰাখি এইবেলি অম্বুবাচীৰ প্ৰাক্কণত উত্তৰ-পূব সীমান্ত ৰে'লৱেই প্ৰায় ৫০ টা সাধাৰণ দ্বিতীয় শ্ৰেণীৰ দবাসহ তিনিখন বিশেষ অসংৰক্ষিত ৰে'ল চলাচলৰ ব্যৱস্থা কৰিছে, যিয়ে কামাখ্যাক অসম আৰু উত্তৰ-বংগৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ সৈতে সংযোগ কৰিব।

ইয়াৰ উপৰি মেলাৰ সময়ছোৱাত যাত্ৰীৰ বহনক্ষমতা বৃদ্ধি কৰাৰ অৰ্থে বিভিন্ন নিয়মীয়া যাত্ৰীবাহী ৰে'লত ১১ টা অতিৰিক্ত সাধাৰণ দ্বিতীয় শ্ৰেণীৰ দবা সংযোজন কৰা হৈছে। তদুপৰি কামাখ্যা, গুৱাহাটী আৰু অন্যান্য গুৰুত্বপূৰ্ণ ষ্টেচনসমূহত

ৰে’ল সুৰক্ষা বাহিনী, চৰকাৰী ৰে’ল আৰক্ষী, বাণিজ্যিক আৰু কাৰিকৰী বিভাগৰ পৰা অতিৰিক্ত কৰ্মচাৰীও নিয়োগ কৰা হৈছে। উল্লেখযোগ্য যে অম্বুবাচী মেলাৰ সময়ত তীৰ্থযাত্ৰীসকলক নিৰ্দেশনা, তথ্য আৰু অন্যান্য সাহায্য সেৱা প্ৰদানৰ অৰ্থে উত্তৰ-পূব সীমান্ত ৰে’লৱেৰ তৰফৰ পৰা স্কাউট আৰু গাইডৰ প্ৰায় ২০০ গৰাকী স্বেচ্ছাসেৱকো নিয়োগ কৰা হৈছে।

ooooo

ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই সমাগত নীট পৰীক্ষাৰ পূৰ্বে অভিভাৱক আৰু পৰীক্ষাৰ্থীসকলক অনলাইন মঞ্চত বিয়পা জালিয়াতিসমূহৰ পৰা আঁতৰি থাকিবলৈ আহ্বান জনাইছে। সামাজিক মাধ্যমৰ এটা প’ষ্টত সংস্থাটোৱে কয়, যে টেলিগ্ৰামৰ জৰিয়তে বহু দুষ্ট চক্ৰই পুনৰবাৰ হ’বলগীয়া নীট পৰীক্ষাৰ পূৰ্বে প্ৰশ্নকাকত যোগান ধৰাৰ বাবে পৰীক্ষাৰ্থীসকলৰ পৰা ১৪ হাজাৰৰ পৰা ২৫ হাজাৰ টকা পৰ্যন্ত দাবী কৰিছে। পৰীক্ষাৰ বাবে এইধৰণৰ কোনোধৰণৰ প্ৰশ্নকাকত ফাদিল হোৱা নাই বুলি সংস্থাটোৱে স্পষ্ট কৰি দিছে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সংস্থাৰ সঞ্চালক প্ৰধান অভিষেক সিঙে কয়, যে এইবেলি প্ৰতিখন প্ৰশ্নকাকত সম্পূৰ্ণ সাৱধানতা অৱলম্বন কৰি যুগুতাই উলিওৱা হৈছে আৰু কোনো ধৰণৰ বেমেজালিৰ সৃষ্টি নোহোৱাকৈ পৰীক্ষা পৰিচালনা কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা প্ৰতিশ্ৰুতিবদ্ধ। প্ৰশ্নকাকত প্ৰস্তুত কৰাৰে পৰা সেইসমূহৰ অনুবাদ, ছপা, এঠাইৰ পৰা আন ঠাইলৈ নি সংৰক্ষণ কৰা আদি সকলো দিশতে সংস্থাই বিভিন্ন সুৰক্ষা পদ্ধতি অৱলম্বন কৰিছে বুলি শ্ৰীসিঙে প্ৰকাশ কৰে।

অসমতো স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়াৰে নীট পৰীক্ষা পৰিচালনা কৰিবলৈ ৰাজ্য চৰকাৰে মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সভাপতিত্বত কালি এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰে। বৈঠকত ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা এন টি এৰ দ্বাৰা বিশেষভাৱে অনুমোদিত বিষয়াসকলৰ বাহিৰে পৰীক্ষাৰ্থী, নিৰীক্ষক, বিষয়া-কৰ্মচাৰীকে ধৰি সকলোৰে বাবে পৰীক্ষা কেন্দ্ৰৰ ভিতৰত ম’বাইল ফোনৰ ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। তদুপৰি জিলা আয়ুক্ত আৰু আৰক্ষী অধীক্ষকসকলক ষ্ট্ৰং ৰূম আৰু পৰীক্ষাকেন্দ্ৰসমূহ ব্যক্তিগতভাৱে পৰিদৰ্শন কৰাৰ লগতে উত্তৰবহীসমূহ নিৰাপদে প্ৰেৰণ নকৰালৈকে সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিয়া হয়।

ooooooo

ভাৰত আজি আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত গ্ৰুপ-এৰ নিজৰ দ্বিতীয়খন খেলত নেডাৰলেণ্ডছৰ মুখামুখি হ’ব। খেলখন ভাৰতীয় সময় অনুসৰি লিডছৰ হেডিংলেত সন্ধিয়া ৭ বজাত আৰম্ভ হ’ব। ভাৰতে গ্ৰুপৰ প্ৰথম খেলত পাকিস্তানৰ মহিলা দলক পৰাস্ত কৰি শক্তিশালী আৰম্ভণি কৰিছে।

ভাৰত আৰু আফগানিস্তান পুৰুষ ক্ৰিকেট দলৰ মাজত চলি থকা তিনিখনীয়া এদিনীয়া শৃংখলাৰ দ্বিতীয়খন খেল আজি চেন্নাইত অনুষ্ঠিত হ’ব।

oooooooo

**সমাপ্ত**